# শৈলীবিজ্ঞানৰ আধাৰত অৰূপা পটঙ্গীয়া কলিতাৰ উপন্যাস ‘ফেলানী’ৰ অধ্যয়ন

ড° দীপাঞ্জলি দাস গোস্বামী
*সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ*
*কটন বিশ্ববিদ্যালয়*

**সাৰাংশ ঃ** শৈলী শব্দটো মানৱ সমাজ আৰু জীৱনত বিভিন্ন ক্ষেত্ৰত ভিন্ন দিশত প্ৰয়োগ হয়। ভাষা-সাহিত্যৰ বিভিন্ন বিধাতো শৈলী জড়িত হৈ থাকে। সাহিত্যৰ এটা বিভাগ হৈছে উপন্যাস। সাধাৰণ বা বাস্তৱ এটা বিষয়ক বিশেষ গঢ় দি ঔপন্যাসিকে এখন উপন্যাসৰ জন্ম দিয়ে। প্ৰত্যেকজন ঔপন্যাসিক বা সাহিত্যিকৰ বিষয়ক নিজা গঢ় দিয়াৰ ক্ষমতা থাকে। এই প্ৰকাশভঙ্গীটোৱে শৈলী। এই আলোচনাত অৰূপা পটঙ্গীয়া কলিতাৰ ‘ফেলানী’ উপন্যাসত ভাষাৰ শৈলী বিচাৰ কৰিবলৈ যত্ন কৰা হ’ব।

**বীজশব্দ ঃ** শৈলী, শৈলীবিজ্ঞান, উপন্যাস, শব্দ বিচ্যুতি, ধন্যাত্মক শব্দ, প্ৰসঙ্গ জ্ঞান।

**১.১ শৈলী আৰু শৈলীবিজ্ঞান ঃ** ‘শৈলী’ শব্দটো আমি সাধাৰণ অৰ্থত ‘ষ্টাইল’ হিচাপে প্ৰয়োগ কৰোঁ। আমাৰ জীৱনৰ বিভিন্ন ক্ষেত্ৰত এই style শব্দটো জড়িত হৈ আছে। ভাষা-সাহিত্যৰ ক্ষেত্ৰটো ‘শৈলী’ (style) শব্দটো জড়িত হৈ থাকে। বিষয় বিশেষে, বৰ্ণনা বিশেষে, কাব্যকাৰ বা সাহিত্যিক বিশেষে শৈলী ভিন্ন। ‘শৈলী’ ভাৱ প্ৰকাশৰ ৰীতি বা ভঙ্গী। পণ্ডিতসকলে শৈলীৰ সংজ্ঞা ভিন্ন ভাৱে আগবঢ়াইছে। Cambridge English Dictionary মতে, "a way of doing something." শব্দাইঘাট অভিধানৰ মতে, “সাহিত্য কৰ্ম আদিৰ ৰচনা ৰীতি।” ‘প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা’ত ড° ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাই ‘শৈলীবিজ্ঞান আৰু ৰীতিতত্ত্ব’ শীৰ্ষক প্ৰবন্ধত শৈলী সম্পৰ্কে উল্লেখ কৰিছে যে শৈলী হৈছে প্ৰকাশৰ বিশিষ্ট গঞ্জ বা ঢং। দত্তবৰুৱাই লগতে শৈলীবিজ্ঞানৰ সংজ্ঞা দিবলৈ গৈ কৈছে, শৈলীবিজ্ঞানে সাহিত্য-পাঠৰ বিশেষত্বসমূহ বিশ্লেষণ কৰে। প্ৰত্যেক ব্যক্তিৰে বাকভঙ্গী ভিন্ন। ভাষাৰ এই ব্যতিক্ৰমী প্ৰকাশভঙ্গীয়ে শৈলী নিৰূপণ কৰে। ব্যক্তিৰ ভাষা ব্যৱহাৰৰ বৈচিত্ৰ্য, ভাষা প্ৰয়োগৰ স্বতন্ত্ৰতা বা স্বকীয়তা, ভাষাৰ বিশেষত্বপূৰ্ণ প্ৰয়োগৰ দ্বাৰা শৈলী নিৰূপিত হয়।

**১.২ ফেলানী উপন্যাস ঃ** অসমীয়া উপন্যাস সাহিত্যৰ কাননত অৰূপা পটঙ্গীয়া কলিতাৰ উপন্যাস ‘ফেলানী’— এপাহ উজ্জ্বল সুগন্ধি পুষ্প। ‘ফেলানী’ উপন্যাসৰ পটভূমি প্ৰায় চল্লিছ পঞ্চল্লিছ বছৰৰ আগৰ অশান্ত অসম। সেয়েহে

উপন্যাসখনৰ বিষয়ে উল্লেখ আছেঃ “...বিগত জুৰি বছৰৰ অভিশপ্ত সময়ৰ পটভূমিত দুখী মানুহৰ যন্ত্ৰণাক্লিষ্ট জীৱনৰ মৰ্মস্পৰ্শী এখন উপন্যাস। ‘ফেলানী’ৰ চৰিত্ৰবোৰৰ অৱস্থান সমাজৰ প্ৰান্তত, কেন্দ্ৰত নহয়। ফেলানী সমাজে দূৰলৈ নিক্ষেপ কৰা মানুহবোৰৰ প্ৰতীক।...জাতি-ধৰ্ম নহয়, সুবিশাল মানৱতাৰ পৰিচয়েই ফেলানীৰ পৰিচয়।”[১]

বিগত এচোৰা সময়ে জন-জীৱনলৈ কঢ়িয়াই অনা কিছুমান পৰিৱৰ্তন, ভয়াৱহতা, যন্ত্ৰণা ইত্যাদি জীৱনৰ বিচিত্ৰ ঘটনা উপন্যাসখনত প্ৰতিফলিত হৈছে। জীৱনৰ নিৰ্মম বাস্তৱতা একেবাৰে নাঙঠ ৰূপত চিত্ৰিত হৈছে। চৰিত্ৰসমূহ যেন জীৱন্ত ৰূপত আমাৰ মাজত ঘূৰি ফুৰিছে; বহুক্ষেত্ৰত আমিয়ো যেন সেইবোৰৰ মাজত সোমাই আছোঁ। উপন্যাসৰ বৰ্ণনাৰ মাজত কেতিয়াবা ইতিহাসৰ ৰেঙণি বিচাৰি পোৱা যায়। ‘ফেলানী’ৰ মাজতো অশান্ত অসমৰ এছোৱা কাল চিত্ৰিত হৈছে।

### ১.৩ শৈলীবিজ্ঞানৰ আধাৰত উপন্যাসখনৰ অধ্যয়ন

উপন্যাস এখন সুখপাঠ্য হোৱাৰ অন্তৰালত কেইবাটাও কাৰকে ক্ৰিয়া কৰে; যেনে- উপস্থাপন, বৰ্ণনাশৈলী, বিষয়ৰ লগত চৰিত্ৰৰ গাঢ়তা ইত্যাদি।

এই আলোচনাত ‘ফেলানী’ উপন্যাসৰ মাজত প্ৰকাশিত বিশেষ প্ৰকাশভঙ্গী বা শৈলী সম্পৰ্কে কিছু দিশ চিত্ৰিত কৰিবলৈ যত্ন কৰা হৈছে।

উপন্যাস হৈছে এক কলা। জীৱনৰ ৰূঢ় বাস্তৱক কল্পনাৰে সিক্ত কৰি বিশেষ কিছুমান দিশৰ মাজেৰে ঔপন্যাসিকে উপন্যাসৰ জন্ম দিয়ে। দুটামান তেনে দিশ হ’ল—

ক। বিশেষ বিশেষ শব্দৰ চয়ন আৰু ব্যৱহাৰ
খ। কাব্যিক, আৱেগিক বৰ্ণনা
গ। ইংগিতময়তা
ঘ। উপস্থাপন কৌশল
ঙ। সূক্ষ্ম পৰ্যবেক্ষণ ইত্যাদি।

‘ফেলানী’ নামটোলৈ মন কৰিলে দেখা যায়, ‘পেলাই দিয়া’ অৰ্থত ফেলানী। অসমৰ বহুতো জনগোষ্ঠীয় ভাষাৰ অল্পপ্ৰাণ ধ্বনি মহাপ্ৰাণ ধ্বনি ৰূপে উচ্চাৰণ হয়। পেলা শব্দটো ফেলা হৈছে— “জুই লগাই দিয়া ঘৰটোৰ চালখন প্ৰায় অচেতন যুতিমালাৰ গাতে পৰিছিল। সি পুখুৰীটোত জপংকৈ শব্দ এটা শুনিছিল। কোনোবাই কেচুঁৱাটো পানীত পেলাই দিছিল... এইজনীয়ে ফেলানী। ...পানীত পেলাই দিয়া তাই ফেলানী হ’ল।”[২]

ধন্যাত্মক শব্দৰ প্ৰয়োগে সাহিত্যত যিদৰে নান্দনিক চিত্ৰৰ দ্যোতনা আনি দিয়ে; ৰূপতত্ত্বৰ বিশিষ্ট প্ৰয়োগে বিশিষ্ট শৈলীৰ নিৰ্দেশ দিয়েঃ “...কুকুৰটোৰ ঠাইত এটা কেচুঁৱা, টেঁৱা-টেঁৱাকৈ কান্দি আছে।”[৩]

“হঠাৎ তাই অনুভৱ কৰিলে এক উত্তাপ, কাণত পৰিল এটা ফট্ ফট্ শব্দ।”[৪]

“...ফিৰ ফিৰকৈ তেজৰ ছিটিকনি কেউফালে বিয়পি পৰিল।”[৫]

‘কঁপি কঁপি’; ‘খুঁচি খুঁচি’; ‘ফোঁপাই ফোঁপাই’; ‘দৌৰি দৌৰি’; ‘হিকটিৱাই হিকটিৱাই’— ইত্যাদি দ্বিত শব্দৰ প্ৰয়োগে বৰ্ণনা বিষয়ক অধিক তীব্ৰ কৰাত সহায় কৰে।

ৰচনাৰ মাজে মাজে পেছা অনুযায়ী বা পৰিৱেশৰ লগত ৰজিতা খুৱাই কেতবোৰ ইংৰাজী শব্দৰ প্ৰয়োগে উপন্যাসখনৰ গদ্যশৈলীক এক বিশিষ্টতা প্ৰদান কৰিছেঃ “...তোমালোকে বিপ্লৱৰ বাবে ব্লেকআউট কৰা নহয় । অসমত চিৰদিনৰ বাবে ব্লেকআউট হ’ব বুজিছা...।”[৬]

ডক্তৰৰ পেছাৰ লগত জড়িত শব্দ— “পেচেন্ট বৰ উইক”।[৭] “ছোৱালী বেবীটো মেচিউৰ হৈছিলেই।”[৮] বাক্য বা বাক্যাংশৰ এনে প্ৰয়োগে বিষয়ক এক বাস্তৱতা প্ৰদান কৰিছে।

শব্দচয়ন আৰু শব্দৰ বিশেষত্বপূৰ্ণ প্ৰয়োগে গদ্যৰ ক্ষেত্ৰত এক বিশেষ শৈলী নিৰূপণ কৰে। শব্দৰ বিশেষ প্ৰয়োগৰ দ্বাৰা ঔপন্যাসিকাই এক নিজস্ব শৈলী গঢ় দিছে— “...মিনতিয়ে গোলাপী কাপোৰ এসাজ পিন্ধি সেইফালে দৌৰ মাৰিছে, চুলিৰ পৰা ‘জিৰ্‌জিৰ্‌কৈ’-নিজৰাৰ পানী পৰে” কিন্তু ইয়াত ব্যতিক্ৰমী প্ৰয়োগৰ দ্বাৰা এক বিশেষ শৈলীৰ সৃষ্টি হৈছে।

উপন্যাসখনৰ উপস্থাপনত দেখা পোৱা যায় যে বাক্যগাঁথনিত প্ৰয়োগ কৰা শব্দই মূল অৰ্থতকৈও এক ব্যাপক অৰ্থ প্ৰকাশ কৰিছে ঃ "ফেৰীখন ব্ৰহ্মপুত্ৰ পাৰ হৈ আহি আমিন গাঁৱত ৰ'লহি। বগা পাৰি নোহোৱা কাপোৰ এসাজেৰে মেৰাই থোৱা গাভৰু ছোৱালীজনীৰ শেতা চকুহাল উজ্জ্বল হৈ পৰিছে। তাইৰ দুটা ক'লা ভোমোৰাৰ দৰে চকুহাল স্থিৰ হৈ ৰৈছে এহাল বালিমাহীৰ ওপৰত। বালিমাহীহালে টুপটুপকৈ নেজডাল উঠাইছে নমাইছে।...চিকমিকাই থকা বালিচন্দা এটুকুৰাত এই পৰিল, এই উঠিল। ভোমোৰাকিটাৰ ঠেংকিটাত লাগি ধৰিলে গুৰি গুৰি ৰূপ।"[৯]

"বগা পাৰি নোহোৱা..." শব্দৰ গাঁথনিয়ে উপন্যাসখনৰ গভীৰতা অৰ্থব্যঞ্জকভাৱে তুলি ধৰিছে।

সাহিত্যক শৈলীৰে লক্ষ্য কৰিলে দেখা যায় উপন্যাসখনৰ চিত্ৰধৰ্মী বৰ্ণনাই ৰসৰ ক্ষেত্ৰত বিভৎস ৰসৰ সৃষ্টি কৰিলেও এই বৰ্ণনা শৈলীয়ে সম্পূৰ্ণ বাস্তৱ ৰূপ এটা দাঙি ধৰিছে ঃ

"...বৰষুণত সৰু সৰু নেজৰ বগা বগা পোকবোৰ সৰ্বত্ৰ বগাই ফুৰিছিল। মামনিৰ দেউতাকে এৰি যোৱা কেম্পখাটখনত মণিয়ে ক'ব নোৱাৰাকৈ শুইছিল।... এই কিলবিলাই থকা গুৰ পোকবোৰৰ যদি এটাও ল'ৰাটোৰ গাত উঠে । বগাই বগাই যদি কাণেৰে নাকেৰে উশাহ লওতে অলপ মেল খোৱা মুখেৰে পোক এট ল'ৰাটোৰ ভিতৰলৈ সোমাই যায় ...বগা বগা পোকবোৰ, পলিথিনৰ মোনা এটা হাতত পিন্ধিলৈ তাই পোকবোৰ পিটিকি পিটিকি মাৰিছিল। পোকবোৰৰ গাৰ পৰা ওলাই অহা মাছৰ পেটুৰ দৰে লপথপীয়া পদাৰ্থবিধেৰে বিজলুৱা হৈ পৰিছিল তাই পিন্ধি থকা পলিথিনৰ মোনাৰ আৱৰণ।"[১০]

ব্যঞ্জনাধৰ্মী শৈলীয়ে উপন্যাসখনক সংবেদনশীল কৰি তুলিছে ঃ "এজাক ধুমুহাই ভাঙি পেলোৱা পৰুৱা এবাহে যেন আকৌ বাহ বন্ধাৰ আয়োজন কৰিছে।"[১১]

"গোঁসাই হ'ল ফুলে ফুলে মৌ চুহি ফুৰা মানুহ।"[১২]

"মোক আল্‌তা, সেন্দূৰ হে দিছে, কোলাত জহৰা দিয়া নাই নহয়।"[১৩]

"চেগুন পাত হেন ধপলা হাত দুখন ..."[১৪]

**সামৰণি ঃ** জীৱনৰ কথা প্ৰতিবিম্বিত কৰা উপন্যাসখনৰ শৈলী আলোচনাত স্পষ্ট ভাৱে প্ৰকাশ হোৱা দিশ কেইটামান হৈছে ঃ ক। উপযুক্ত শব্দৰ প্ৰয়োগ।
খ। শব্দৰ বিচ্যুতিৰ দ্বাৰা অৰ্থ প্ৰকাশ।
গ। পৰিৱেশ সৃষ্টিৰ বাবে ভাষা সংক্ৰমণ।
ঘ। ব্যঞ্জনাধৰ্মী বৰ্ণনা আৰু বিষয় উপস্থাপন
ঙ। প্ৰসঙ্গ জ্ঞানৰ দ্বাৰা বিষয় উদ্ধাৰ।

**প্ৰসঙ্গ টোকা**

১. অৰূপা পটঙ্গীয়া কলিতা ঃ *ফেলানী*, সপ্তম সংস্কৰণ, ২০২২, পৃঃ শেষ ক'ভাৰ পৃষ্ঠা
২. :সদ্যোক্ত, পৃ. ১০
৩. : সদ্যোক্ত, প. ২০
৪. : সদ্যোক্ত, পৃ. ২৩
৫. : সদ্যোক্ত, পৃ. ২৪
৬. : সদ্যোক্ত, পৃ. ৩১
৭. : সদ্যোক্ত, প. ৩২
৮. : সদ্যোক্ত, পৃ. ৪০
৯. : সদ্যোক্ত, পৃ. ১০৭
১০. : সদ্যোক্ত, পৃ. ০১
১১. : সদ্যোক্ত, পৃ. ৪৫
১২. : সদ্যোক্ত, পৃ. ৫২

**সহায়ক গ্ৰন্থপঞ্জী**

মুখ্য উৎসঃ
কলিতা, অৰূপা পটঙ্গীয়া ঃ *ফেলানী*, জ্যোতি প্ৰকাশন, সপ্তম সংস্কৰণ, ছেপ্টেম্বৰ ২০২২ ।
গৌণ উৎস ঃ
দত্ত বৰুৱা ফণীন্দ্ৰ নাৰায়ণ ঃ *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা*, বিশাল প্ৰকাশ, পৰিৱৰ্দ্ধিত সংস্কৰণ, ছেপ্তেম্বৰ ২০১৭
শৰ্মা, অনুৰাধা ঃ *শৈলী আৰু শৈলীবিজ্ঞান*, বান্ধৱ, চতুৰ্থ সংস্কৰণ, ২০২১